**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১।	প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰকে ধৰি নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকী মন্ত্ৰীৰ আজি দায়িত্বভাৰ গ্ৰহণ।

২।	কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত তিনি কোটি অতিৰিক্ত গৃহ নিৰ্মাণৰ সিদ্ধান্ত।

৩।	যক্ষ্মা ৰোগ নিবাৰণৰ লক্ষ্যৰে আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাত বি চি জি প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী।

৪।	ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন খেলত কাটাৰৰ মুখামুখি।

আৰু

৫।	পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তান, কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooooo

নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকী মন্ত্ৰীয়ে আজি নিজৰ নিজৰ দায়িত্ব গ্ৰহণ কৰিব। এইসকলৰ ভিতৰত আছে - প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা, তথ্য-সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ক্ৰীড়া-যুৱ কল্যাণ মন্ত্ৰী মনসুখ এল মন্দাভিয়া। বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, শক্তি মন্ত্ৰী মনোহৰ লাল, সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱী, আইন আৰু সামাজিক ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু জলশক্তি মন্ত্ৰী চি আৰ পেটেলেও আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰিব। ড০ জিতেন্দ্ৰ সিঙেও বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী হিচাপে আজি দায়িত্ব ল’ব।

oooooooo

তৃতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰাৰ পাছত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠক  অনুষ্ঠিত হয়। এই বৈঠকত গ্ৰাম্য আৰু নগৰ অঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত তিনি কোটি অতিৰিক্ত গৃহ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২০১৫-১৬ বৰ্ষৰ পৰা এই যোজনাৰ অধীনত ৪ কোটি ২১ লাখ গৃহ দৰিদ্ৰ জনসাধাৰণৰ বাবে নিৰ্মাণ কৰা হৈছে বুলি বৈঠকত উল্লেখ কৰাৰ লগতে এই গৃহসমূহত শৌচাগাৰ, প্ৰসাৰগাৰৰ সুবিধা, ৰন্ধন গেছৰ সংযোগ, বিদ্যুৎ সংযোগ, নলযোগে পানী যোগানকে ধৰি প্ৰাথমিক সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰা হয়।

ইফালে, কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমোদীয়ে কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তিও মুকলি কৰি দিয়ে। এই কিস্তিৰ দ্বাৰা ৯ কোটি ৩০ লাখ কৃষকক প্ৰায় ২০ হাজাৰ কোটি টকা বিতৰণ কৰা হ’ব। শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰৰ প্ৰথমটো সিদ্ধান্তই কৃষকসকলৰ কল্যাণৰ হকে তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁৰ চৰকাৰ কৃষকসকলৰ উন্নয়নৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ সকলো কৃষকক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে ২০১৯ চনত পি এম কিষাণ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে যোগ্য কৃষকক ছহেজাৰ টকাৰ

আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি ২ হাজাৰকৈ তিনিটা কিস্তিত হিতাধিকাৰীসকলৰ বেংক একাউণ্টযোগে প্ৰদান কৰা হয়। আঁচনিখনৰ জৰিয়তে বৰ্তমানলৈকে ১১ কোটি কৃষক পৰিয়াল উপকৃত হৈছে।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে ৭খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে। ১৩টা বিধানসভা সমষ্টিৰ ভিতৰত পশ্চিমবংগৰ ৪টা, হিমাচল প্ৰদেশৰ ৩টা, উত্তৰাখণ্ডৰ দুটা আৰু বিহাৰ, তামিলনাডু, মধ্যপ্ৰদেশ, পঞ্জাবৰ এটাকৈ সমষ্টি আছে। নিৰ্বাচন আয়োগে জনোৱা মতে এই বিধানসভা সমষ্টিকেইটাৰ অহা ১০ জুলাইত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ১৩ জুলাইত ভোটগণনা কৰা হ'ব।

০০০০০০০

যক্ষ্মা ৰোগ নিবাৰণৰ লক্ষ্যৰে আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাত বি চি জি প্ৰতিষেধক প্ৰদান কৰা হ'ব। শিৱসাগৰ জিলা প্ৰশাসনে প্ৰতিষেধক প্ৰদানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ ডেৰ লক্ষাধিক লোকক এই কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হৈছে। যক্ষ্মা নিবাৰণ শাখাই ২০২১ চনৰ পৰা দেশত এই ৰোগ নিৰাময়ৰ বাবে প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰি আহিছে। বিশেষ কাৰণত বাওঁ বাহুৰ ছিটা লোৱাৰ পৰা বাদ পৰি যোৱা লোকসকলক এই অভিযানে সামৰি ল'ব। প্ৰাপ্ত বয়স্ক যিকোনো সুস্থ লোকে এই বিনামূলীয়া বি চি জি প্ৰতিষেধক ল'ব পাৰিব।

০০০০০

ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙে কালি ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে। তেওঁৰ লগতে ১১ গৰাকী কেবিনেট মন্ত্ৰীয়েও শপত লয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীটামাং আৰু তেওঁৰ মন্ত্ৰী সভাৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ কৰা কেবিনেট মন্ত্ৰীসকলৰ ভিতৰত চোনম লামা, অৰুণ কুমাৰ উপ্ৰেটি, চমদুপ লেপচা, ভিমহাং লিম্বু অন্যতম। গেংটকৰ পালিজোৰ ষ্টেডিয়ামত কালি বিয়লি আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত বৌদ্ধ ভিক্ষুসকলৰ প্ৰাৰ্থনা, খ্ৰীষ্টধৰ্মী সংগীত গোটৰ গীত পৰিৱেশন আৰু বেদৰ মন্ত্ৰ উচ্চাৰণে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে ছিকিম বিধানসভা নিৰ্বাচনত ৩২ খনৰ আসনৰ ভিতৰত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১ খনতেই জয়লাভ কৰিছিল। ছিকিম ডেম'ক্ৰেটিক ফ্ৰ'ণ্টে মাত্ৰ এখন আসন লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০০০

নতুন ফৌজদাৰী আইন সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষৰ অধিবক্তা মাখন ফুকনে অভিমত প্ৰকাশ কৰিছে। আকাশবাণী গুৱাহাটীৰ কালি প্ৰচাৰিত চলন্তিকা অনুষ্ঠানত অধিবক্তাগৰাকীয়ে অহা ১ জুলাই পৰা কাৰ্যকৰী হ'বলগীয়া ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ অধিনিয়ম সন্দৰ্ভত বিশ্লেষণ আগবঢ়ায়। সময় পৰিৱৰ্তনৰ লগে লগে ভাৰতীয় ন্যায় ব্যৱস্থাটো ব্যাপক সংশোধনৰ প্ৰয়োজন আছিল আৰু এই ক্ষেত্ৰত নতুন আইন কেইখনে এই প্ৰয়োজনীয়তা পূৰণ কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। পূৰ্বৰ ভাৰতীয় দণ্ডবিধি আইনৰ সংশোধন ঘটাই নতুনকৈ প্ৰৱৰ্তন কৰা ভাৰতীয় ন্যায় সংহিতাত শাস্তিমূলক দৃষ্টান্তৰ পৰিৱৰ্তে সামাজিক ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। নতুন আইনখনত ধাৰাৰ সংখ্যা পূৰ্বৰ ৫১১টাৰ পৰা ৩৫৬টালৈ হ্ৰাস কৰা হৈছে। ইয়াৰে ৮টা ধাৰা সম্পূৰ্ণ নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। নতুন আইনখনত গণহত্যা, ছাইবাৰ অপৰাধ, ভূমি অধিগ্ৰহণ আদিৰ দৰে বিষয়সমূহেও স্থান লাভ কৰিছে। নতুন আইন কেইখনে অপৰাধৰ হাৰ হ্ৰাস কৰি এখন সুস্থ-সবল আৰু নিকা সমাজ গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি অধিবক্তা গৰাকীয়ে মত পোষণ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চিবিএছইয়ে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ পাঠ্যক্ৰম, অধ্যয়ন সামগ্ৰী আৰু আৰ্হি প্ৰশ্নকাকত সম্বন্ধীয় ভুল তথ্যত বিচলিত নহ'বলৈ শিক্ষাৰ্থী আৰু অভিভাৱকসকলক আহ্বান জনাইছে। কিছু অনলাইন মঞ্চ

তথা ৱেবছাইটে পুৰণি লিংক আৰু সত্যাসত্য নিৰ্ধ্বপণ নকৰা বাতৰিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিপথে পৰিচালিত কৰাৰ অপচেষ্টাৰ বিষয়ে প্ৰকাশ কৰি পৰিষদে শিক্ষাৰ্থীসকলক বিচলিত নহ'বলৈ আহ্বান জনাইছে। অকৰ্তৃত্বশীল উৎসৰ পৰা লাভ কৰা তথ্যই বিদ্যালয়, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা সংশ্লিষ্ট সকলোৰে মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব বুলি পৰিষদে আশংকা প্ৰকাশ কৰে। প্ৰামাণিক তথ্য আৰু শেহতীয়া খবৰৰ বাবে কেৱল পৰিষদৰ ৱেবছাইট চাবলৈ এই পৰামৰ্শাৱলীত আহ্বান জনোৱা হৈছে।

০০০০০০০

সমগ্ৰ দেশৰ লগতে অসমতো ১৭ জুন সোমবাৰে ইছলাম ধৰ্মালম্বীসকলে পৱিত্ৰ ঈদ-উজ-জোহা পালন কৰিব। কেন্দ্ৰীয় হিলাল কমিটি অসমে এটা প্ৰেছ বিজ্ঞপ্তি যোগে এই কথা প্ৰকাশ কৰিছে। হিলাল কমিটি অসমৰ সভাপতি মৌলানা ফকৰুদ্দিন আহমদ কাছিমি আৰু সম্পাদক প্ৰধান ইমৰান হুছেইনে অসমৰ জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো লোকলৈ পৱিত্ৰ ঈদ-উজ-জোহাৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

বাৰিষাৰ সময়ছোৱাত ডেংগু, মেলেৰীয়া, জাপানীজ এনকেফেলাইটিছ আদি ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ সন্দৰ্ভত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা টাস্ক ফোৰ্চৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত সহয়। জিলা আয়ুক্তৰ সভাপতিত্ব আয়োজিত সভাখনত বিভিন্ন ৰোগৰ নিয়ন্ত্ৰণ তথা নিৰাময়ৰ দিশসমূহৰ ওপৰত আলোচনা কৰা হয়। সভাত ভাষণ প্ৰদান কৰি জিলা আয়ুক্তগৰাকীয়ে এই ৰোগসমূহৰ প্ৰতিৰোধৰ বাবে ব্যাপক সজাগতামূলক প্ৰচাৰ অভিযান চলোৱাৰ লগতে সংক্ৰমণ হ'ব পৰা এলেকাত নিয়মীতভাবে ধোঁৱা দিয়া আৰু নলা-নৰ্দমাসমূহ চাফ-চিকুণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০

মাজুলী জিলাৰ কৃষকসকলে ন্যূনতম সমৰ্থন মূল্যত সৰিয়হ বিক্ৰীৰ বাবে কাইলৈৰ ভিতৰত সৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ জমা দিব পাৰিব। সৰিয়হ ক্ৰয়ৰ সৈতে জড়িত সংস্থা **নাফেড**ৰ তৰফৰ পৰা জিলা কৃষি বিভাগে অৱগত কৰিছে। সেয়েহে কৃষকসকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত সৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ জমা দিবলৈ কৃষি বিভাগে আহ্বান জনাইছে।

ইপিনে, মাজুলী জিলা কৃষি বিভাগৰ অধীনত আটমাৰ উদ্যোগত কালি গড়মূৰ কৃষিচক্ৰৰ অন্তৰ্গত মহৰিচুক আৰু মালাপিন্ধা মিৰি গাঁৱত কেইবাটাও আত্মসহায়ক গোটক কাঠফুলা খেতি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত মহিলাসকলৰ মাজত খেতিৰ বাবে যাৱতীয় সামগ্ৰীও বিতৰণ কৰা হয়। গড়মূৰ আৰু কমলাবাৰী কৃষি চক্ৰৰ কেইবাগৰাকীও কৃষি উন্নয়ন বিষয়াৰ লগতে কাঠফুলা খেতিৰে স্বাৱলম্বী হোৱা মাধুৰিমা দত্ত এই প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকে।

০০০০০০০

মালাৱিৰ উপ-ৰাষ্ট্ৰপতি ছাওলোছ চিলিমা আৰু অন্যান্য ৯ জন লোকক লৈ উৰা মৰা প্ৰতিৰক্ষা বাহিনীৰ এখন বিমান কালিৰেপৰা সন্ধানহীন হৈ আছে। দেশখনৰ ৰাষ্ট্ৰপতি লাজাৰ শ্বছকৱেৰাৰ কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি ৰাজধানী লিলংৱেৰ পৰা উৰা মৰাৰ পাছতে বিমানখন সন্ধানহীন হয়। বিমানখনত ৫১ বছৰীয়া উপ-ৰাষ্ট্ৰপতিগৰাকীৰ লগতে তেওঁৰ পত্নী আৰু আন ৮জন লোক আছিল। বিমানখনে উৰা মৰাৰ ৪৫ মিনিটৰ পাছত মজুজু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰাৰ কথা আছিল। বিমানখনৰ অনুসন্ধান আৰু উদ্ধাৰ অভিযান অব্যাহত আছে।

০০০০০০০

ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি দোহাত ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন গুৰুত্বপূৰ্ণ খেলত এছিয়াৰ বৰ্তমানৰ চেম্পিয়ন কাটাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। কোৱালিফায়াৰ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হ'বৰ বাবে ভাৰতে গ্ৰুপ-এৰ শীৰ্ষ

দুটা স্থানৰ যিকোনো এটা দখল কৰিব লাগিব। ইপিনে প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰা দলসমূহে সমান্তৰালভাৱে ছৌদি আৰৱত হ'বলগীয়া ২০২৭ বৰ্ষৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবেও যোগ্যতা অৰ্জন কৰিব।

তাৰকা খেলুৱৈ সুনীল চেত্ৰীৰ অৱসৰৰ পাছত আজিৰ খেলখনত গলকিপাৰ গুৰপ্ৰীত সিঙে ভাৰতীয় দলক নেতৃত্ব দিব।

বৰ্তমান প্ৰতিযোগিতাৰ গ্ৰুপ-এত কাটাৰ ১৩ পইণ্টেৰে শীৰ্ষস্থানত আছে। দলটোৱে ইতিমধ্যে পৰৱৰ্তী ৰাউণ্ডত নিজৰ স্থান নিশ্চিত কৰিছে। ভাৰতে বৰ্তমান ৫খন খেলৰ পৰা ৫ পইণ্ট অৰ্জন কৰি উন্নত গ'ল ব্যৱধানৰ ভিত্তিত দ্বিতীয় স্থানত আছে। গ্ৰুপ-এত আফগানিস্তান তৃতীয় আৰু কুৱেইট চতুৰ্থ স্থানত আছে।

oooooooo

পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি  পাকিস্তান, কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। পাকিস্তান এই পৰ্যন্ত প্ৰতিযোগিতাৰ দুয়োখন খেলতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতৰ বিৰুদ্ধে পৰাজিত হৈছে। ইপিনে, কানাডাই অন্তিমখন খেলত আয়াৰলেণ্ডক ১২ ৰানত পৰাস্ত কৰিছে।

দক্ষিণ আফ্ৰিকাই যোৱা নিশা নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত বাংলাদেশক ৪ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেট হেৰুৱাই ১১৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ হেনৰিক ক্লাছেনে ৪৪টা বলত সৰ্বাধিক ৪৬ ৰানৰ বৰঙণি আগবঢ়ায়। বাংলাদেশৰ টানজিম হাছান ছাকিবে ৩টা উইকেট দখল কৰে।

জয়ৰ লক্ষ্য অনুসৰণ কৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ১০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ কেশৱ মহাৰাজে ৩টা উইকেট দখল কৰাৰ বিপৰীতে এনৰিক নৰ্টজে আৰু কাগিছ' ৰাবাডাই দুটাকৈ উইকেট লাভ কৰে।

oooooooo

সদৌ অসম একুৱাটিক চেম্পিয়ন্শ্বিপ অহা ১২ জুলাইৰ পৰা গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত হ'ব। অসম সাঁতোৰ সন্থাৰ এখন সভাত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সন্থাৰ উপ-সভাপতি দেৱকুমাৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সম্পাদক ভাস্কৰ ৰঞ্জন দাসে চলিত বৰ্ষৰ বিভিন্ন জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলৰ সূচী ঘোষণা কৰে। লগতে বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচী, জিলা সাঁতোৰ সন্থাসমূহৰ আন্তঃবিদ্যালয় প্ৰতিযোগিতা আয়োজন আদি সিদ্ধান্তৰ কথা সদৰি কৰা হয়। সভাত বিভিন্ন জিলাৰ প্ৰতিনিধিসকলে জিলা সন্থাসমূহৰ খতিয়ান দাঙি ধৰে।

ooooooooo

ভাৰতৰ যুকি ভাম্ব্ৰী আৰু তেওঁৰ ফৰাচী সহযোগী আলবানো অলিভেট্টিয়ে আজি জাৰ্মানীত ষ্টুটগাৰ্ট অ'পেন টেনিছ প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। ভাম্ব্ৰী আৰু অলিভেট্টি পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত নিউজিলেণ্ডৰ মাইকেল ভেনাছ আৰু ব্ৰিটেইনৰ নীল স্কুপছি যুটীৰ মুখামুখি হ'ব।

ooooooooo

**গুৰুত্বপূৰ্ণ দপ্তৰত বিজেপিৰ প্ৰাধান্য** শিৰোনামেৰে **দৈনিক অসম** কাকতে নতুনকৈ গঠিত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন মন্ত্ৰী পৰিষদৰ দপ্তৰ বিতৰণৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেটা বাতৰিকে **অসমীয়া প্ৰতিদিন** কাকতেও **বিজেপিৰ হাততেই শক্তিশালী দপ্তৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ছিকিম ক্ৰান্তিকাৰী মৰ্চাৰ মুৰব্বী প্ৰেম সিং তামাঙে কালি দ্বিতীয়বাৰৰ বাবে ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ আগতীয়া কনভয়ত হোৱা উগ্ৰপন্থী আক্ৰমণৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কৰিমগঞ্জত ভোটগ্ৰহণতকৈ ভোটগণনাত অতিৰিক্ত ভোট ওলোৱা সন্দৰ্ভত আদালতলৈ যাব বুলি কংগ্ৰেছ প্ৰাৰ্থী হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে প্ৰকাশ কৰাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম স্থান দিছে।

**দ্যা চেন্টিনেল** কাকতে **THREE MINISTERS FROM NE ALLOTED PORTFOLIOS** শিৰোনামেৰে নতুনকৈ গঠিত নৰেন্দ্ৰ মোদীৰ মন্ত্ৰী পৰিষদত উত্তৰ-পূৰ্বাঞ্চলৰ ৩ গৰাকী সাংসদে মন্ত্ৰী লাভ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ তৃতীয় কাৰ্যকালৰ দায়িত্ব গ্ৰহণ কৰিয়েই প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ সপ্তদশ কিস্তিৰ ২০ হাজাৰ কোটি টকা মুকলিৰ ফাইলত স্বাক্ষৰ কৰাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এআইডিইউএফ দলৰ সাংগঠনিক সম্পাদক তথা মানকাচৰৰ বিধায়ক আমিনুল ইছলামে হঠাৎ দলৰ সকলো বিষয়বাবৰ পৰা পদত্যাগ কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইফালে, **নিয়মীয়া বাৰ্তা** কাকতে লোকসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই ৰাজ্যত শাক-পাচলিৰ দাম বৃদ্ধি হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কথিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে-

1. কালি মৰিগাঁৱৰ ভুৰবন্ধাত উদযাপন কৰা হয় আছুৰ কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱস
2. নীট-ইউ জি ২০২৪ৰ ফলাফলৰ বিসংগতিৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এবিভিপিৰ প্ৰতিবাদ
3. ১৭ জুন তাৰিখ সোমবাৰে ইছলাম ধৰ্মাৱলম্বীসকলৰ পবিত্ৰ ঈদ-উজ-জোহা উদযাপন কৰা হ'ব বুলি কেন্দ্ৰীয় হিলাল কমিটী অসমৰ প্ৰকাশ

4. কাহিলীপাৰাত বিদ্যুতৰ খুঁটা বাগৰি পৰাত এজন স্কুটী আৰোহীৰ মৃত্যু আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰকে ধৰি নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকী মন্ত্ৰীৰ আজি দায়িত্বভাৰ গ্ৰহণ।

২। অসমৰ বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালৰ বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী পদ বাহাল ৰখাৰ বিপৰীতে পবিত্ৰ মাৰ্ঘেৰিটাক বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰীৰ দায়িত্ব।

৩। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত তিনি কোটি অতিৰিক্ত গৃহ নিৰ্মাণৰ সিদ্ধান্ত।

৪। ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন খেলত কাটাৰৰ মুখামুখি।আৰু

৫। পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তান, কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

**সমাপ্ত**